# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-11-2024

**Time :** 0900 Hrs

## ***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::::**

## Headlines

১। ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান অব্যাহত।

২। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ৰাজ্যৰ নিৰ্বাচিত উদ্যোগীলৈ দ্বিতীয় কিস্তিৰ ধন মুকলি প্ৰক্ৰিয়া আজি আৰম্ভ।

৩। মিছন বসুন্ধৰা আঁচনিৰ তৃতীয় পৰ্যায়ত কোচৰাজবংশী, অ' বি চি আৰু এম অ' বি চি আবেদনকাৰীক খিলঞ্জীয়া হিচাপে গণ্য কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

৪। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ অৱসৰ। ১১ নৱেম্বৰত দেশৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে সঞ্জীৱ খান্নাৰ দায়িত্ব গ্ৰহণ।

*আৰু*

৫। ডাৰবানৰ কিংছমিডত যোৱা নিশা অনুষ্ঠিত চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ভাৰতৰ ৬১ ৰানত জয় লাভ।

0000000

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। অহা ১৩ নৱেম্বৰত হ'বলগীয়া এই উপ নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি মন্ত্ৰী, সাংসদ আৰু বিধায়কে এন ডি এৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিছে। ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু সাংসদ গৌৰৱ গগৈয়েও দলীয় প্ৰাৰ্থীৰ হৈ ঠায়ে ঠায়ে প্ৰচাৰ চলাই আছে। উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিৰ পৰা ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

চিদলী বিধানসভা সমষ্টিত কালি বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে দলীয় প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰী মহিলাৰীয়ে সমষ্টিটোত বি পি এফৰ প্ৰাৰ্থীগৰাকী বহু সংখ্যক ভোটত জয়ী হ'ব বুলি দাবী কৰিছে। সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে চিদলীৰ পাঁচটা পৰিষদীয় সমষ্টিৰ চাৰিটা সমষ্টি বৰ্তমান বি পি এফৰ দখলত আছে। তেনে ক্ষেত্ৰত বি পি এফৰ প্ৰাৰ্থীগৰাকীয়ে অধিক ভোট লাভ কৰাটো নিশ্চিত বুলি তেওঁ কয়। সমষ্টিটোৰ নিৰ্বাচনী ৰূপৰেখা সন্দৰ্ভত আমাৰ চিৰাঙৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে এইদৰে কয়--

*(বাইট)*

আনহাতে বঙাইগাঁও সমষ্টিতো শাসক-বিৰোধী উভয় পক্ষৰে প্ৰচাৰ অভিযান অব্যাহত আছে। সমষ্টিটোৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহৰ হৈ আজি নগাঁৱৰ সাংসদ তথা দলটোৰ জ্যেষ্ঠ নেতা প্ৰদ্যুৎ বৰদলৈয়ে বিভিন্ন স্থানত প্ৰচাৰ অভিযান চলাব। একেদৰে সমষ্টিটোৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ বিজেপিৰ জ্যেষ্ঠ নেতা তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে প্ৰচাৰ চলাব। সমষ্টিটোৰ নিৰ্বাচনৰ প্ৰস্তুত সন্দৰ্ভত এয়া আকাশবাণীৰ বঙাইগাঁৱৰ সংবাদদাতা তেজেছ ত্ৰিপাঠীৰ প্ৰতিবেদন-

*(বাইট)*

0000000

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ৰাজ্যৰ নিৰ্বাচিত উদ্যোগীসকললৈ দ্বিতীয় কিস্তিৰ ধন মুকলি কৰাৰ প্ৰক্ৰিয়া আজি আৰম্ভ কৰা হ'ব। এই উদ্দেশ্যে ৰাজ্য চৰকাৰে ইতিমধ্যে ৬৬ কোটি টকা মোকলাই দিছে। উল্লেখযোগ্য যে, এই আঁচনিৰ অধীনত যোৱা ২৪ ছেপ্তেম্বৰত ৰাজ্যৰ ২৫ হাজাৰগৰাকীৰো অধিক উদ্যোগীক প্ৰথম কিস্তিৰ ধন হিচাপে ৭৫ হাজাৰ টকাকৈ আদায় দিয়া হৈছিল।

ৰাজ্যৰ নিবনুৱা সমস্যা হ্ৰাস কৰাৰ লগতে ঔদ্যোগিকৰণৰ বাবে উপযুক্ত পৰিবেশ সৃষ্টি কৰাৰ লক্ষ্যৰে এই আঁচনি গ্ৰহণ কৰা হৈছে বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে এই আঁচনিৰ জৰিয়তে নৱপ্ৰজন্মক আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদান কৰা হ'ব।

0000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ বাবে প্ৰস্তুতি অব্যাহত আছে। ৰাসক কেন্দ্ৰ কৰি ভিন ভিন গাঁৱত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। নলবাৰীতো বিভিন্ন স্থানত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। নলবাৰীৰ হৰি মন্দিৰ প্ৰাংগণত অহা ১৫ নৱেম্বৰৰ পৰা ২৭ নৱেম্বৰলৈ হ'বলগীয়া ৯১ সংখ্যক ৰাস মহোৎসৱৰ বাবে পূৰ্ণ প্ৰস্তুতি চলিছে। দৰ্শনাৰ্থীসকলক আকৰ্ষণ কৰাৰ বাবে এইবাৰ মৃণ্ময় মূৰ্তি সুন্দৰভাৱে সজাই-পৰাই তোলাত গুৰুত্ব আৰোপ কৰা হৈছে। যোৱা বছৰৰ দৰে এইবাৰো হৰিমন্দিৰ ৰাস মহোৎসৱত জীৱন্ত আৰু পুতলা ৰাস অনুষ্ঠিত হ'ব। ৰাস মহোৎসৱৰ প্ৰথম দিনাৰ পৰা পুতলা ৰাস হোৱাৰ লগতে ২০ আৰু ২১ নৱেম্বৰত মাজুলীৰ আৰ্হিত জীৱন্ত ৰাস অনুষ্ঠিত হ'ব। ৰাসৰ প্ৰস্তুতি সন্দৰ্ভত আকাশবাণীৰ নলবাৰীৰ সংবাদদাতা ৰমেন কলিতাই এইদৰে জনাইছে—

*(বাইট)*

গুৱাহাটী মহানগৰ আৰক্ষীয়ে আজি পুৱা আই এছ বি টিত অভিযান চলাই ৭০ লাখ টকাৰ জালনোট উদ্ধাৰ কৰে। আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত ধেমাজিৰ গোগামুখৰ হাফিজ আলী নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। লোকজনে বান্দৰদেৱাৰ পৰা নৈশ বাছেৰে জালনোটখিনি গুৱাহাটীলৈ আনিছিল।

0000000

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ দিৱস উপলক্ষে আজি আৰু কাইলৈ গুৱাহাটীৰ পাঞ্জাবাৰীত থকা কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি দিনজোৰা লোকনৃত্য-গীতৰ বৰ্ণাঢ্য অনুষ্ঠান **বৰ্ণালী** আৰু সন্ধিয়া চাৰে ছয় বজাত হাস্যব্যংগ নাটকৰ অনুষ্ঠান বাগাড়ম্বৰ অনুষ্ঠিত

হ'ব। কাইলৈ সন্ধিয়া চাৰে পাঁচ বজাত ধ্রুপদী নৃত্য সংৰচনা **নৃত্যৰংগ**ৰ লগতে ছয় বজাত পুৰণি দিনৰ গীতৰ সোঁৱৰণ আৰু প্ৰিয় শিল্পীৰ সৈতে কথোপকথনৰ অনুষ্ঠান সোণালী সুদিন অনুষ্ঠিত হ'ব। শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰ দিৱস উপলক্ষে এই দুয়োদিনৰ কাৰ্যসূচীতে উদ্যোক্তাসকলে ৰাইজৰ উপস্থিতি কামনা কৰিছে।

০০০০০০০

ৰাজ্য চৰকাৰে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় মুকলি কৰিছে। এই আঁচনিৰ অধীনত নাগৰিকসকলে চলিত বছৰৰ ৩১ ডিচেম্বৰলৈ আবেদন কৰাৰ সুযোগ লাভ কৰিব। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ এই আঁচনিত কোচ ৰাজবংশী, অ' বি চি, এম অ' বি চি আবেদনকাৰীক খিলঞ্জীয়া হিচাপে গণ্য কৰিব বুলি চৰকাৰে সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰে শীঘ্ৰে অধিসূচনা জাৰি কৰিব। উল্লেখযোগ্য যে, মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ত বৰ্তমানলৈ ৮০৯গৰাকীয়ে লোকে আবেদন জনাইছে। আনহাতে, এই আঁচনিৰ দ্বিতীয় পৰ্যায়ত আবেদন কৰিও মাটিৰ পট্টা লাভ নকৰা এহেজাৰ ৯৭৪গৰাকী আবেদনকাৰীয়ে তৃতীয় পৰ্যায়ত তেওঁলোকৰ আবেদন পুনৰ বিবেচনাৰ বাবে আবেদন জনাইছে।

০০০০০০০

ৰাজ্য চৰকাৰে অসমৰ গোৰ্খা সম্প্ৰদায়ৰ অন্যতম নেতা বাবু ছবিলাল উপাধ্যায়ৰ সন্মানাৰ্থে গুৱাহাটী মহানগৰীৰ কোনো গুৰুত্বপূৰ্ণ স্থানত তেওঁৰ এটা প্ৰতিমূৰ্তি স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী উন্নয়ন প্ৰাধিকৰণ জি এম ডি-এৰ মুখ্য কাৰ্যবাহী বিষয়ালৈ লিখা এখন পত্ৰত এই সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁক প্ৰতিমূৰ্তি  স্থাপনৰ বাবে উপযুক্ত স্থান নিৰ্বাচন কৰাৰ লগতে স্বাধীনতা সংগ্ৰামীগৰাকীৰ পৰিয়ালৰ সৈতে আলোচনা কৰি তেওঁলোকৰ ধাৰণা তথা দৃষ্টিভংগীৰ সৈতে সামঞ্জস্য থকাকৈ প্ৰতিমূৰ্তিটো নিৰ্মাণ হৈ উঠাটো নিশ্চিত কৰিবলৈ আহ্বান জনাইছে। প্ৰতিমূৰ্তিৰ স্থান আৰু আৰ্হি চূড়ান্ত হৈ উঠাৰ পাছত নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ লগতে বিষয়টোৰ সন্দৰ্ভত লাভ কৰা অগ্ৰগতিৰ বিষয়ে সময়ে সময়ে মুখ্যমন্ত্ৰীক অৱগত কৰাবলৈকো মুখ্য কাৰ্যবাহী বিষয়াগৰাকীক নিৰ্দেশ দিয়া হৈছে।

উল্লেখযোগ্য যে, ১৮৮২ চনত জন্মগ্ৰহণ কৰা স্বাধীনতা সংগ্ৰামী বাবু ছবিলাল উপাধ্যায়ৰ ১৯৮০ চনত দেহাৱসান ঘটে।

০০০০০০০

দুবছৰীয়া কাৰ্যকালৰ অন্তত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে কালি অৱসৰ গ্ৰহণ কৰে। উচ্চতম ন্যায়ালয়ৰ বাৰ এছ'চিয়েছনে আয়োজন কৰা বিদায় সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্য ন্যায়াধীশ গৰাকী আৱেগিক হৈ পৰে। স্মৃতি ৰোমন্থন কৰি শ্ৰী চন্দ্ৰচূড়ে তেওঁৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে দিয়া দুখৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰে। উল্লেখযোগ্য যে কাইলৈহে মুখ্য ন্যায়াধীশগৰাকীৰ কাৰ্যকালৰ অন্ত পৰিব যদিও আজি আৰু কাইলৈ ন্যায়ালয় বন্ধ থকাৰ বাবে কালিয়ে তেওঁ আনুষ্ঠানিকভাৱে অৱসৰ গ্ৰহণ কৰে। অহা ১১ নৱেম্বৰত ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শ্ৰী চন্দ্ৰচূড়ৰ উত্তৰসুৰী ন্যায়াধীশ সঞ্জীৱ খান্নাই দায়িত্ব গ্ৰহণ কৰিব। কালিৰ বিদায় সম্বৰ্ধনা অনুষ্ঠানত ন্যায়াধীশ সঞ্জীৱ খান্নাও উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালীকৰণ সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠান চলি থকা সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি ইয়াত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে পথ দুৰ্ঘটনা আৰু ইয়াৰ ফলত হোৱা মৃত্যু ৰোধ কৰাৰ বাবে পথ নিৰ্মাণৰ সময়ত সুৰক্ষাৰ বিষয়টোত অধিক গুৰুত্ব আৰোপ কৰা উচিত বুলি ম প্ৰকাশ কৰিছে। ছত্তিশগড়ৰ ৰায়পুৰত কালি সন্ধিয়া ভাৰতীয় পথ মহাসভাৰ ৮৩ সংখ্যক বাৰ্ষিক সত্ৰ উদ্বোধন কৰি শ্ৰীগাডকাৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে পথ আৰু যান বাহন অভিযান্ত্ৰিক ক্ষেত্ৰৰ আঁসোৱাহসমূহ আঁতৰ কৰাৰ উদ্দেশ্যে প্ৰয়াস চলাই থকা হৈছে যদিও প্ৰকল্প প্ৰতিবেদনৰ ক্ৰটিৰ বাবে এই ক্ষেত্ৰত সমস্যাৰ উদ্ভৱ হৈছে। কালিৰ অনুষ্ঠানত উপস্থিত থকা বিষয়া আৰু অভিযন্তাসকলক উদ্দেশি মন্ত্ৰীগৰাকীয়ে কয় যে, বিতং প্ৰকল্প প্ৰতিবেদন সঠিকভাৱে পৰীক্ষা নকৰাকৈ কোনো নিবিদা জাৰি কৰা উচিত নহয়। তেওঁ কয় যে, পথ আভিযান্ত্ৰিক দিশৰ উন্নীতকৰণে পথ দুৰ্ঘটনা ৰোধ কৰাৰ লগতে জনসাধাৰণৰ জীৱন ৰক্ষা কৰিব। পথ খণ্ডৰ বিকাশৰ বাবে বিশ্বৰ সফল কাৰ্য ব্যৱস্থা আৰু উদ্ভাৱণসমূহ প্ৰয়োগ কৰিবলৈ শ্ৰীগাডকাৰীয়ে বিষয়া, বিশেষজ্ঞ আৰু ঠিকাদাৰসকলৰ প্ৰতি আহ্বান জনায়।

০০০০০০০

গুৱাহাটী প্ৰেছ ক্লাবত আজি লুইত-জিষ্ট কমিউনিকেচন এডুকেচনেল ট্ৰাষ্টৰ উদ্যোগত পিতৃ-মাতৃ বন্দনা সমাৰোহ অনুষ্ঠিত হ'ব। সমাৰোহত **আই-পিতাইৰ মানসিক স্বাস্থ্য সজাগতা আৰু আমাৰ কৰ্তব্য** শীৰ্ষক এখন আলোচনা সভাৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ন্যাসৰ বাৰ্ষিক মুখপত্ৰ **ডেউকা** উন্মোচন কৰা হ'ব।

০০০০০০০

ভাৰতে যোৱানিশা ডাৰবানৰ কিংছমিডত অনুষ্ঠিত চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাক ৬১ ৰানত পৰাস্ত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ সঞ্জু ছেমছনে ৫০টা বলত ১০৭ ৰান কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ২০৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দক্ষিণ আফ্ৰিকাৰ হৈ হেন্ৰিক ক্লাছেনে সৰ্বাধিক ২৫ ৰান কৰে।

ভাৰতৰ বৰুণ চক্ৰৱৰ্তী আৰু ৰবি বিষ্ণয়ে তনিটাকৈ উইকেট দখল কৰে। সঞ্জু ছেমছনক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ এবেখাত খেলোৱা হ'ব। তৃতীয়খন খেল চেঞ্চুৰিয়নত আৰু চতুৰ্থ তথা অন্তিমখন খেল জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব।

০০০০০০০

গুৱাহাটীৰ পৰা প্ৰকাশিত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে কালি দুবছৰীয়া কাৰ্যকালৰ অন্ত পৰা ডি ৱাই চন্দ্ৰচূড়ৰ অৱসৰ গ্ৰহণৰ বাতৰিটো আজি **দৈনিক অসম, অসমীয়া প্ৰতিদিন,আমাৰ অসম, দৈনিক অগ্ৰদূত** আদি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**উত্তৰ পূৰ্বাঞ্চলেহে সম্পূৰ্ণ কৰে ভাৰতৰ ৰূপক** শিৰোনামেৰে **দৈনিক অসম কাকতে** অসমৰ ৰাজ্যপাল তথা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ আচাৰ্য্য লক্ষ্মণ প্ৰসাদ আচাৰ্য্যৰ মন্তব্যৰে বাতৰি প্ৰকাশ কৰিছে। একেখন কাকতে **উজনিত এবছৰলৈ যাতায়তত যন্ত্ৰণা** শিৰোনামেৰে উজনি ৰাষ্ট্ৰীয় ঘাইপথৰ শোচনীয় অৱস্থাৰ এটা বাতৰিও প্ৰকাশ কৰিছে।

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা ৰাজ্যৰ বিধানসভা সমষ্টিৰ খচৰা ভোটাৰ তালিকাত নাৰী শক্তিক প্ৰাধান্য দিছে। এই সন্দৰ্ভত বাতৰি প্ৰকাশ কৰি **দৈনিক জনমভূমি** কাকতৰ শিৰোনাম **৬৯ টা সমষ্টিত মহিলাৰ ভোটাৰ বেছি।**

**ইচ্ছা থাকিলেও ন্যায় সংহত সিদ্ধান্ত লোৱাৰ ক্ষমতা নাই বিষয়াৰ** শিৰোনামেৰে ৰাজ্য প্ৰশাসনৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

**সমীৰণ ফুকন আছুৰ নতুন সাধাৰণ সম্পাদক, প্ৰতিবেদনত দোষী সাব্যস্ত শংকৰজ্যোতি** শিৰোনামেৰে **আমাৰ অসম** কাকতে সদৌ অসম ছাত্ৰ সন্থাৰ এটা বাতৰি প্ৰকাশ কৰিছে। আনহাতে, **ক্ৰমশঃ নিশকতীয়া হৈছে আছুৰ স্থিতি** শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে আন এটা বাতৰি প্ৰকাশ কৰিছে।

**নিৰ্বাচনী হিংসাত জ্বলিছে চামগুৰি** শিৰোনামেৰে **অসমীয়া খবৰ** কাকতে বিজেপি আৰু কংগ্ৰেছ সমৰ্থক তথা কৰ্মীৰ মাজত সৃষ্টি হোৱা সংঘাতৰ এটা বাতৰি প্ৰকাশ কৰিছে। আনহাতে, নিয়মীয়া বাৰ্তা কাকতৰ বাতৰিৰ শিৰোনাম **বিজেপিৰ মাৰাথন প্ৰচাৰ-নিস্প্ৰভ কংগ্ৰেছ।**

নগা উগ্ৰপন্থী সংগঠন এন এছ চি এন ইচাক মুইভাক গোটে, যদিহে নগালেণ্ডৰ বাবে পৃথক সংবিধান আৰু পতাকাৰ ব্যৱস্থা নকৰে তেন্তে ২৭ বছৰ পুৰণি যুদ্ধ বিৰতিৰ চুক্তি ভংগ কৰা হ'ব বুলি হুংকাৰ দিছে। এই সন্দৰ্ভত ডি আসাম ট্ৰিবিউন কাকতৰ শিৰোনাম N S C N-I M Threatens Armed struggle if demands not met .

আজিৰ প্ৰকাশিত অনান্য বাতৰিৰ ভিতৰত আছে ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ বৰ্তমানলৈও হোৱা নাই সিদ্ধান্ত।

০০০০০০০

**সমাপ্ত**